যিয়ে মিছা শপত খাই কোনো মুছলিমৰ অধিকাৰ খৰ্ব কৰিছে, আল্লাহে তাৰ ওপৰত জাহান্নাম ওৱাজিব কৰিছে আৰু জান্নাত হাৰাম কৰিছে।" তেতিয়া এজনে সুধিলেঃ হে আল্লাহৰ ৰাছুল! সেয়া যদি কিবা সৰু সুৰা বস্তু হয়? তেখেতে ক'লেঃ "মিছৱাকৰ সমান বস্তু হ'লেও।

আবু উমামা ইয়াছ বিন ছা'লাবা আল-হাৰিছী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে মিছা শপত খাই কোনো
মুছলিমৰ অধিকাৰ খৰ্ব কৰিছে, আল্লাহে তাৰ ওপৰত জাহান্নাম ওৱাজিব কৰিছে আৰু জান্নাত হাৰাম কৰিছে।" তেতিয়া এজনে সুধিলেঃ হে আল্লাহৰ ৰাছুল! সেয়া যদি কিবা সৰু সুৰা বস্তু
হয়? তেখেতে ক'লেঃ "মিছৱাকৰ সমান বস্তু হ'লেও।" [ছহীহ] [(মুছলিম)]

কোনো মুছলিমৰ অধিকাৰ খৰ্ব কৰিবলৈ জানি বুজি মিছা শপত খাবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধ কৰিছে। কাৰণ ইয়াৰ ফলত ব্যক্তি জাহান্নামৰ উপযুক্ত হয় আৰু জাহান্নামৰ পৰা বঞ্চিত হয়। এইটো হৈছে কাবীৰাহ গুনাহ বা মহাপাপ। এই কথা শুনি এজন ব্যক্তিয়ে সুধিলে, হে আল্লাহৰ ৰাছুল! যদি সৰু সুৰা কোনো বস্তুৰ কাৰণে এনেকুৱা কৰিছে তেন্তে ইয়াৰ বিধান কি? তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যদি আৰাক গছৰ ডালেৰে বনোৱা এটা মিছৱাকৰ সমান বস্তুও হয় তথাপিও সেই একেই শাস্তি বিহা হ'ব।

https://sunnah.global/hadeeth/as/show/5430